Total number of printed pages–3

**14 (ASM–3) 3016**

**2023**

**ASSAMESE**

Paper : ASM–3016

***( Assamese Novel )***

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

৮নং প্ৰশ্ন আৰু যিকোনো পাঁচটা প্ৰশ্নৰ উত্তৰ কৰিবা।

১। আধুনিকতাবাদী উপন্যাসৰ স্বৰূপ নিৰ্ণয় কৰি অসমীয়া উপন্যাসত আধুনিকতাবাদৰ প্ৰতিফলন সম্পৰ্কে এটি বিশ্লেষণ আগবঢ়োৱা। ১২

২। ৰজনীকান্ত বৰদলৈৰ 'ৰহদৈ লিগিৰী' উপন্যাসত দয়াৰাম আৰু ৰহদৈৰ দৈহিক প্ৰেম কেনেদৰে আধ্যাত্মিক প্ৰেমত পৰিণত হৈছে বিচাৰ কৰা। ১২

Contd.

৩। মেদিনী চৌধুৰীৰ 'বন্দুকা বেহাৰ' উপন্যাসত মাধৱদেৱৰ চৰিত্ৰৰ মানসিক সংঘাতৰ ছবিখন কেনেদৰে অঙ্কন কৰিছে বৰ্ণনা কৰা। ১২

৪। এটি প্ৰতিবাদী চৰিত্ৰ হিচাপে মামনি ৰয়ছম গোস্বামীয়ে 'নীলকণ্ঠী ব্ৰজ'ত সৌদামিনীক কেনেদৰে ৰূপায়ন কৰিছে বিচাৰ কৰা। ১২

৫। "এপিনে অস্তিত্ব ৰক্ষাৰ প্ৰাণান্তকৰ সংগ্ৰাম, আনপিনে অন্তৰৰ চিৰন্তন প্ৰেম-প্ৰীতিৰ মানবীয় আবেগ-অনুভূতিৰ বিজয় ঘোষণা—এই দুয়োৰে আৱৰ্তত ৰচিত হৈছে 'জংগম'ৰ ৰসোত্তীৰ্ণ সংবেদনশীল কাহিনী।" চন্দ্ৰপ্ৰসাদ শইকীয়াই 'জংগম' উপন্যাসখনিৰ বিষয়ে কৰা এই মন্তব্যৰ যথাৰ্থতা বিচাৰ কৰা। ১২

৬। তোমাৰ পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত দেৱব্ৰত দাসৰ 'ধূসৰতাৰ কাব্য' উপন্যাসখনিয়ে অসমীয়া উপন্যাসলৈ বিষয়বস্তু আৰু কলা-কৌশলৰ ক্ষেত্ৰত কি নতুনত্ব আনিছে বিশ্লেষণ কৰা। ১২

৭। হোমেন বৰগোহাঞিৰ 'পিতা-পুত্ৰ' উপন্যাসত সামন্তীয় সমাজৰ অৱক্ষয়ৰ কাহিনী কেনেদৰে বৰ্ণনা কৰিছে তাৰ এটি সমীক্ষা আগবঢ়োৱা। ১২

৮। চমু টোকা লিখা ঃ *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) মিছ্‌ছেহ মিলাৰ

(খ) উত্তৰ আধুনিকতাবাদী উপন্যাসৰ লক্ষণ

(গ) বন্ধ আৰু মুক্ত উপন্যাস

(ঘ) 'মৰুদ্যান' উপন্যাসৰ পটভূমি

(ঙ) কল্পবিজ্ঞানভিত্তিক অসমীয়া উপন্যাস

(চ) শিৱনাথ

---

Total number of printed pages–3

14 (ASM–3) 3026

# 2023

# ASSAMESE

Paper : ASM–3026

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

৮নং প্ৰশ্নটো বাধ্যতামূলক। বাকী প্ৰশ্নসমূহৰ মাজৰ পৰা যিকোনো পাঁচটাৰ উত্তৰ লিখিবা।

১। অনুবাদ অধ্যয়নৰ আদিভাগত ভাষাবিজ্ঞান সম্বন্ধীয় দিশসমূহৰ চৰ্চা কিদৰে হৈছিল, তোমাৰ পাঠ্যক্ৰমত থকা ৰোমান য়াক'ৱছনৰ ৰচনাখনৰ যোগেদি দেখুওৱা। ১২

২। কৃষ্ণকান্ত মন্দিকৈয়ে অনুবাদৰ কি কি দিশত গুৰুত্ব দি তাক জাতি-গঠনৰ সহায়ক হিচাপে তুলি ধৰিছে, আলোচনা কৰা। ১২

Contd.

৩। “অনুবাদ প্ৰক্ৰিয়াত ৰাজনীতি”—এই সন্দৰ্ভত কৃষ্ণকান্ত সন্দিকৈৰ ৰচনাখনৰ সহায়ত এটা নিবন্ধ প্ৰস্তুত কৰা। ১২

৪। অনুবাদৰ সমৰূপতা, হানি আৰু প্ৰাপ্তি, আৰু বিশ্বাসযোগ্যতাৰ মাজত থকা সম্পৰ্ক প্ৰদৰ্শন কৰা। ১২

৫। ফকৰা-যোজনা, প্ৰবচন আদিৰ অনুবাদৰ ক্ষেত্ৰত অনুবাদকে কেনেদৰে সাৱধানতা অৱলম্বন কৰা উচিত, দেখুওৱা। ১২

৬। অভিযোজনাৰ বিভিন্ন দিশ সামৰি এটা নিবন্ধ লিখা। ১২

৭। মোহন ৰাকেশৰ *আষাঢ় কা এক দিন* নাটক অসমীয়ালৈ অনুবাদ কৰোঁতে নীৰাজনা মহন্ত বেজবৰাই কিমানখিনি বিশ্বাসযোগ্যতা প্ৰদৰ্শন কৰিছে, দেখুওৱা। ১২

৮। চমু টোকা লিখা ঃ ***(যিকোনো চাৰিটা)*** ৫×৪=২০

(ক) বাৰ্ট্ৰাণ্ড ৰাছেলৰ বিপক্ষে য়াক'বছনৰ যুক্তি

(খ) জাপানৰ অনুবাদ কৰ্মৰাজি

(গ) হীৰেন ভট্টাচাৰ্যৰ কবিতাৰ ইংৰাজী অনুবাদ

(ঘ) শব্দানুযোগ অনুবাদ

(ঙ) 'অগ্নিস্নান'ত কেমেৰা সঞ্চালনৰ তাৎপৰ্য

(চ) ধীৰেন্দ্ৰ নাথ বেজবৰুৱাৰ অনুবাদ-ৰীতি

---

Total number of printed pages–3

14 (ASM–3) 3066

# 2023

## ASSAMESE

Paper : ASM–3066

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। *যিকোনো পাঁচটা* প্ৰশ্নৰ উত্তৰ লিখা : ১২×৫=৬০

(ক) কোনো ভাষিক প্ৰেক্ষাপটত কি কি কাৰণত ভাষিক ভিন্নতাৰ সৃষ্টি হ'ব পাৰে? তেনে ভিন্নতাৰ প্ৰকাৰভেদ উল্লেখ কৰি এটি নিবন্ধ যুগুত কৰা। ৬+৬=১২

(খ) কামৰূপী উপভাষা আৰু গোৱালপৰীয়া উপভাষাৰ মিল-অমিল বিচাৰ কৰা।

(গ) অসমৰ কৈৱৰ্তসকলৰ ভাষাৰ স্বকীয়তা বিচাৰ কৰি এটি আলোচনা যুগুত কৰা।

*Contd.*

(ঘ) দ্বিপাৰ্শ্বিকতা (Diglossia) বুলিলে কি বুজা? ইয়াৰ বিশেষত্বসমূহ আলোচনা কৰা। ২+১০=১২

(ঙ) সমকালীন অসমীয়া ভাষা ক'ত আৰু কি কি মাধ্যমত বৰকৈ প্ৰত্যক্ষ হয় আৰু মান্য ৰূপতকৈ ই কিহত বেলেগ দেখুৱা।

(চ) "ৰাভামিজ/মিচিংমিজ/হাজংমিজত তিব্বতবৰ্মীয় উপাদান"—এই সন্দৰ্ভত এটি নিবন্ধ যুগুত কৰা।

(ছ) সাম্প্ৰতিক কালত অসমীয়া ভাষাত নৃগোষ্ঠীয় উপভাষাগত ৰূপৰ প্ৰয়োগ সম্বন্ধে তোমাৰ ধাৰণা ব্যক্ত কৰা।

(জ) অসমীয়া লোকসাহিত্যত নৃগোষ্ঠীয় উপভাষাৰ সমল সম্বন্ধে এটি আলচ যুগুত কৰা।

২। তলৰ *যিকোনো চাৰিটা* চমু টোকা লিখা ঃ ৫×৪=২০

(ক) ভাষা আৰু লিংগ

(খ) সমাজ ভাষাবিজ্ঞান

(গ) সমকালীন অসমীয়াৰ বাক্যতত্ত্ব

(ঘ) উপভাষা সীমা নিৰ্দ্ধাৰক

(ঙ) ৰাভামিজ/মিচিংমিজ/হাজংমিজৰ সংকৰ শব্দ

(চ) মৰিগএগ্ৰা উপভাষা

(ছ) মৰিয়াৰ ভাষাৰ ৰূপতাত্ত্বিক বিশেষত্ব

---

14 (ASM–3) 3096

**2023**

## ASSAMESE

Paper : ASM–3096

***(Assamese Vaisnavite, Saiva and Sakta Literature)***

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

*৮নং প্ৰশ্ন আৰু যিকোনো পাঁচটা প্ৰশ্নৰ উত্তৰ কৰিবা।*

১। ভক্তিৰ স্বৰূপ ব্যাখ্যা কৰি ইয়াৰ প্ৰকাৰভেদ সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা। ১২

২। ভাৰতবৰ্ষত নৱবৈষ্ণৱ ধৰ্মৰ উদ্ভৱ আৰু বিকাশৰ ইতিবৃত্ত দাঙি ধৰি এটি নিবন্ধ যুগুত কৰা। ১২

৩। নৱবৈষ্ণৱ ধৰ্মত প্ৰতিফলিত প্ৰধান দাৰ্শনিক মতসমূহ বিচাৰ কৰি এইবোৰৰ বৈশিষ্ট্য বিচাৰ কৰা। ১২

Contd.

৪। শংকৰদেৱৰ কীৰ্তনঘোষাৰ 'হৰমোহন' অধ্যায়ত মায়াৰ স্বৰূপ কেনেদৰে প্ৰকাশ পাইছে বিচাৰ কৰা আৰু অধ্যায়টোত প্ৰতিফলিত ৰসৰ আভাস দিয়া। ১২

৫। "নামঘোষাত প্ৰধানতঃ তিনিটা ভাবৰ ধাৰা মিহলি হৈ বিশাল আনন্দ সাগৰৰ ফালে প্ৰধাৱমান হৈছে।" নামঘোষাৰ এই তিনিটা ধাৰা কি? উদাহৰণসহ আলোচনা কৰা। ১২

৬। ৰুচিনাথ কন্দলিয়ে 'শ্ৰী শ্ৰী চণ্ডীত' ধৰ্মপক্ষীৰ পূৰ্ব বৃত্তান্ত কেনেদৰে আগবঢ়াইছে বৰ্ণনা কৰা। গ্ৰন্থখনৰ মূল কাহিনী ভাগত এই আখ্যান ভাগৰ কিবা প্ৰাসঙ্গিকতা আছেনে বিচাৰ কৰা। ১২

৭। ৰুদ্ৰসিংহৰ দ্বাৰা ৰচিত 'শিৱপুৰাণত' শিৱ মাহাত্ম্য কেনেদৰে প্ৰকাশ হৈছে উপযুক্ত উদাহৰণসহ বিচাৰ কৰা। ১২

৮। চমু টোকা লিখা ঃ *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) সাধন আৰু সাধ্য ভক্তি

(খ) আলৱাৰ আৰু নায়নমাৰ

(গ) উপপুৰাণ আৰু মহাপুৰাণ

(ঘ) দেৱী ভাগৱত আৰু শ্ৰীচণ্ডী কাব্য

(ঙ) সুৰথ আৰু সমাধিবৈশ্য

(চ) শিৱ আৰু শক্তি